REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

**Date :** 22-09-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

আজি বিশ্ব গঁড় দিৱস। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে গঁড় সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰে। শ্ৰীমোদীয়ে বিগত বছৰসমূহত দেশে গঁড় সংৰক্ষণৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাসমূহৰ বিষয়ে উল্লেখ কৰি ইয়াৰ সৈতে জড়িত কৰ্মচাৰীসকলৰ প্ৰশংসা কৰে। তেওঁ কয় যে আমাৰ দেশ এটা খড়্গযুক্ত গঁড়ৰ বৃহৎ বিচৰণভূমি আৰু এয়া অত্যন্ত গৌৰৱৰ বিষয়। প্ৰধানমন্ত্ৰীয়ে অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ কথা স্মৰণ কৰি সকলোকে কাজিৰঙা ভ্ৰমণ কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে শ্ৰী মোদীয়ে যোৱা ৮ আৰু ৯ মাৰ্চত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিছিল।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও বিশ্ব গঁড় দিৱসৰ দিনটোত ৰাজ্যিক পশুবিধৰ সংৰক্ষণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়বদ্ধতাৰ কথা দোহাৰে। তেওঁ অসমৰ জৈৱ বৈচিত্ৰৰ অমূল্য ৰত্নস্বৰূপ গঁড়ৰ সুৰক্ষা, আৱাসিক এলেকাৰ সম্প্ৰসাৰণ আৰু সামগ্ৰিকভাৱে সংৰক্ষণ সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহৰ কথা উল্লেখ কৰে।

উল্লেখযোগ্য যে আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বৰ্ণাঢ্য কাৰ্যসূচীৰে বিশ্ব গঁড় দিৱস পালন কৰা হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া ৫ খন জিলা সামৰি বোকাখাতৰ ধনশিৰিমুখ, বিশ্বনাথ সংমণ্ডল আৰু লাওখোৱা বুঢ়াচাপৰিৰ পৰা প্ৰতীকি গঁড় লৈ শোভাযাত্ৰা উলিওৱা হৈছে। আনহাতে, বিয়লি ৩ বজাৰ পৰা কহৰাৰ শতবৰ্ষ উদযাপন কেন্দ্ৰত কেন্দ্ৰীয়ভাৱে বিশ্ব গঁড় দিৱসৰ আয়োজন কৰা হয়।

মানাহ ৰাষ্ট্ৰীয় উদ্যানতো বিশ্ব গঁড় দিৱসৰ লগত সংগতি ৰাখি বাঁহবাৰী বনাঞ্চলত **কিপ দ্যা ফাইভ এলাইভ** মূল মন্ত্ৰে বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সেই অনুসৰি পুৱাৰ ভাগত সজাগতামূলক চাইকেল সমদল উলিওৱা হয়। এই কাৰ্যসূচীৰ জৰিয়তে ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালকগৰাকীয়ে জনসাধাৰণক গঁড় সুৰক্ষাৰ ক্ষেত্ৰত সজাগ হ'বলৈ আহ্বান জনায়।

oooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰৰ পৰিৱৰ্তে ১৫ ডিচেম্বৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। প্ৰশাসনিক কাৰণত ইতিমধ্যে ঘোষণা কৰা চি-টেটৰ দিন সলনি কৰা হৈছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ১৫ ডিচেম্বৰ দেওবাৰে দেশজুৰি চি-টেট অনুষ্ঠিত কৰা হ'ব। পূৰ্বে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে ১ ডিচেম্বৰত দেশৰ মুঠ ১৩৬ খন চহৰত চি-টেট অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল। ১৭ ছেপ্তেম্বৰৰ পৰা আৰম্ভ হোৱা চি-টেটৰ অনলাইন প্ৰক্ৰিয়াৰ আবেদন অহা ১৬ অক্টোবৰত অন্ত পৰিব।

ooooooo

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি এদিনীয়া ভ্ৰমণসূচীৰে ধুবুৰীত উপস্থিত হৈছে। ৰাজ্যপালগৰাকীয়ে প্ৰথমে জিলাখনৰ গোলকগঞ্জৰ ভাৰত-বাংলাদেশ সীমান্তত থকা ৰামৰায়কুটি সত্ৰ পৰিদৰ্শন কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰা ঐতিহ্যমণ্ডিত সত্ৰখন পৰিদৰ্শন কৰি ৰাজ্যপালগৰাকীয়ে গুৰুজনাৰ আশীৰ্বাদ গ্ৰহণ কৰে। ইয়াৰ পাছত তেওঁ সত্ৰশালৰ ভাৰত-বাংলাদেশ আন্তঃৰাষ্ট্ৰীয় সীমান্ত অঞ্চল পৰিদৰ্শন কৰি সীমান্ত সুৰক্ষা বাহিনীৰ শীৰ্ষ বিষয়াৰ সৈতে মত বিনিময় কৰাৰ লগতে সীমান্তৰ বিভিন্ন সমস্যা তথা নিৰাপত্তা সন্দৰ্ভত আলোচনাত মিলিত হয়। দিনটোৰ পৰৱৰ্তী কাৰ্যসূচীত ৰাজ্যপাল শ্ৰী আচাৰ্য্যই ধুবুৰী চহৰলৈ ৰাওনা হয়। ধুবুৰীত উপস্থিত হৈ তেওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ সন্দৰ্ভত এখন পৰ্যালোচনা সভাতো অংশগ্ৰহণ কৰে।

ooooo

আজি বিশ্ব নদী দিৱস। নদী সুৰক্ষাৰ প্ৰতি সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰতিবছৰৰ ছেপ্তেম্বৰ মাহৰ চতুৰ্থটো দেওবাৰে এই দিৱস পালন কৰা হয়। মানৱ সভ্যতা অতিজৰে পৰা নদী কেন্দ্ৰীক আৰু ইয়েই জনসাধাৰণৰ অৰ্থনৈতিক বুনিয়াদ নিৰ্মাণত সহায় কৰি আহিছে। সম্প্ৰতি জনসংখ্যা বিস্ফোৰণ, আধুনিকতা আৰু আন্তঃগাথনি নিৰ্মাণৰ বাবে বিভিন্ন কাৰ্যকলাপ আৰু পৰিৱেশ প্ৰদূষণৰ ফলত নদীসমূহতো প্ৰদূষণ বৃদ্ধি পাইছে। ইয়াৰ ফলত বিভিন্ন জীৱন ধাৰা আৰু কলা সংস্কৃতিৰ ধাৰাবাহিকতা কঢ়িয়াই পলসেৰে ভূমি সাৰুৱা কৰা একোখন নদী কোনো কোনো সময়ত অস্তিত্বই হেৰাই গৈছে। এনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বিশ্বজুৰি এই দিৱস পালনৰ গুৰুত্ব বৃদ্ধি পাই আহিছে। ২০০৫ চনৰ পৰাই এই দিৱস পালন কৰা হৈ আহিছে। অসমতো আজি বিশ্ব নদী দিৱস উপলক্ষে নদী সংৰক্ষণৰ প্ৰতি সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। গুৱাহাটী মহানগৰীত আজি ভৰলু নৈক প্ৰদূষণমুক্ত কৰাৰ বাবে সজাগতা কাৰ্যসূচীও লোৱা হয়। জলসম্পদ মন্ত্ৰী পিযুছ হাজৰিকাই আজি এই দিৱস উপলক্ষে দিয়া বাৰ্তাত কয় যে, ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈয়ে অতিজৰে পৰা ৰাজ্যখনৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী কৰি ৰখাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰি আহিছে। তেওঁ কয় যে, নদী পৃথিৱীৰ হৃদযন্ত্ৰস্বৰূপ যদিও বিগত দশককেইটাত প্ৰদূষণৰ ফলত নদীসমূহৰ অপব্যৱহাৰে পৰিৱেশৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। মন্ত্ৰীগৰাকীয়ে

সংকল্প লবলৈ আহ্বান জনায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

**সমাপ্ত**